২ নং প্রশ্নৰ উত্তৰঃ জিলাৰ হাকিম হিচাপে জিলা উপায়ুক্তই কিছুমান ন্যায়িক কার্যও কৰিব লাগে।

ক) তলতীয়া হাকিমসকলক নিয়ন্ত্রণ আৰু তদাৰক কৰা আৰু উৎসৱ-পার্বনৰ সময়ত বিভিন্ন স্থানত হাকিম নিয়োগৰ আদেশ দিয়া।

খ) জনসাধাৰণৰ শান্তি ভংগৰ আশংকা থাকিলে শান্তি ৰক্ষাৰ কাৰণে আইন প্রয়োগৰ নির্দেশ দিয়া।

গ) চৰকাৰ আৰু অন্যান্য উৎসৰ পৰা পোৱা আবেদন আৰু বিভিন্ন ধৰণৰ অভিযোগ নিষ্পত্তি কৰা।

ঘ) কাৰাগাৰ পৰিদর্শন কৰা।

ঙ) কাৰাবন্দীৰ আগতীয়া মুক্তি।

৩ নং প্রশ্নৰ উত্তৰঃ দেশৰ স্বাধীনতাৰ পাছত, জিলা উপায়ুক্তৰ মর্যাদাৰ ভালেখিনি পৰিৱর্তন হৈছে। সংসদীয় চৰকাৰৰ আৰম্ভণিয়ে জিলা উপায়ুক্তৰ ভূমিকাৰ পৰিৱর্তন কৰিছে আৰু এখন বিদেশী শাসনৰ প্রতিনিধিৰ পৰা জনতাৰ দ্বাৰা নির্বাচিত চৰকাৰৰ অধীনৰ এক সঁজুলিলৈ ৰূপান্তৰিত হৈছে। বর্তমান তেওঁ জনসাধাৰণৰ সেৱক হৈ পৰিছে। প্রকৃততে তেওঁ জনসাধাৰণৰ যত্ন লোৱা আৰু জিলাত তেওঁলোকে সন্মুখীন হোৱা যিকোনো সমস্যাৰ সমাধান কৰাৰ বাবে দায়বদ্ধ।



১৩.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃকোনে ১৭৭২ চনৰ পৰা জিলা সমাহর্তাৰ কার্যালয়টোক জিলা প্রশাসনৰ মুৰব্বী কৰিছিল?

প্রশ্ন ২ঃ কোন চনত নেহৰু চৰকাৰে ৰাষ্ট্রীয় সম্প্রসাৰণ সেৱা আৰু সামূহিক উন্নয়ন কার্যসূচীখনৰ পাতনি মেলিছিল?

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ প্রশাসক/জিলা বিষয়া হিচাপে উপায়ুক্তই কৰা যিকোনো দুটা কার্য উল্লেখ কৰক।

প্রশ্ন ২ঃ ৰাজহ বিষয়া হিচাপে উপায়ুক্তই কৰা যিকোনো দুটা কার্য উল্লেখ কৰক।

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ জিলা উপায়ুক্তৰ কার্যালয়ৰ উৎপত্তি সম্পর্কে আলোচনা কৰক। জিলা উপায়ুক্তৰ কার্যাৱলী বর্ণনা কৰক।

প্রশ্ন ২ঃ বৃটিছ শাসনকালত জিলা উপায়ুক্তৰ ভূমিকা সম্পর্কে আলোচনা কৰক।

*** ***** ***